**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-07-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***
**::::::::::::::::::::::::::::::**

ৰাজ্যৰ কেইবাখনো জিলাত জাপানীজ এনকেফেলাইটিছ্ ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগে কাৰ্যকৰী ব্যৱস্থা লৈছে। বিভাগীয় সূত্ৰ অনুসৰি এই ৰোগত আক্ৰান্ত হৈ ৰাজ্যখনত এতিয়ালৈ কমেও ২৬ জন লোকৰ মৃত্যু হৈছে। উজনি আৰু নামনি অসমৰ কেইবাখনো জিলাৰ লগতে বৰাক উপত্যকাত মুঠ ২৫০ জন লোক এই ৰোগত আক্ৰান্ত হৈছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে। চিৰাং জিলাত জাপানীজ এনকেফেলাইটিছ্ আৰু মেলেৰীয়া ৰোগত চলিত বছৰত কালি পৰ্যন্ত ৪১১ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ৪০৫ জন মেলেৰীয়াত আৰু ছজন লোক এনকেফেলাইটিছ্ ৰোগত আক্ৰান্ত হৈছে। স্বাস্থ্য বিভাগে জিলাখনত ঔষধযুক্ত আঁঠুৱা বিতৰণৰ লগতে প্ৰতিষেধক স্পে্ৰ কৰা, ধোঁৱা দিয়া আৰু সজাগতা কাৰ্যসূচী অব্যাহত ৰাখিছে।

কাৰ্বি আংলঙত কালি এই ৰোগত আক্ৰান্ত হৈ দুগৰাকী ৰোগীয়ে প্ৰাণ হেৰুৱায়। বৰ্তমান ডিফু চিকিৎসা মহাবিদ্যালয়ত এই ৰোগত আক্ৰান্ত হৈ ৯ টি শিশু চিকিৎসাধীন হৈ আছে বুলি জানিব পৰা গৈছে। ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱালৈ লক্ষ্য ৰাখি জনসাধাৰণক সাৱধানতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে জিলা স্বাস্থ্য বিভাগে আহ্বান জনাইছে।

০০০০

শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়ুক্ত আয়ুষ গৰ্গৰ অধ্যক্ষতাত তথা আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰাৰ উপস্থিতিত চলিত বৰ্ষৰ জুন মাহৰ অপৰাধ সন্মিলনখন অনুষ্ঠিত হয়। আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত হোৱা সন্মিলনখনত বিগত সময়ছোৱাত জিলাখনত হোৱা অপৰাধমূলক ঘটনা, অপৰাধসমূহৰ ধৰণ, পটভূমি, কাৰক আদি সন্দৰ্ভত বিশ্লেষণাত্মকভাৱে আলোচনা কৰা হয়। সন্মিলনখনত ভৱিষ্যতে জিলাখনক অপৰাধশূন্য জিলা হিচাপে গঢ়ি তোলাৰ বাবে গ্ৰহণ কৰিবলগীয়া সম্ভাব্য প্ৰতিকাৰমূলক ব্যৱস্থাৱলী তথা ভৱিষ্যৎ কাৰ্যপন্থা সম্পৰ্কে বিস্তাৰিতভাৱে আলোচনা কৰা হয়। লগতে সংশ্লিষ্ট সকলো বিভাগৰ সৈতে মত বিনিময় কৰা হয়। এই সন্মিলনখনতে জিলা প্ৰশাসন তথা আৰক্ষী বিভাগে শিৱসাগৰ জিলাবাসীৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাক সুনিশ্চিত কৰাৰ বাবে সকলো বিভাগকে সহযোগিতাৰ আহ্বান জনায়।

০০০০

ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত গোলাঘাট জিলাৰ মেৰাপানীত আজি বিকাশ বঁটাৰ অধীনত অঞ্চলটোৰ ৩ টা সমষ্টিৰ ৯২ গৰাকী ছাত্ৰ-ছাত্ৰীক চেক বিতৰণ কৰা হয়। ঠেঙাল কছাৰী স্বায়ত্ত পৰিষদে বিগত বৰ্ষসমূহৰ দৰে ২০২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক চাওদাং পথাৰ শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়ত আয়োজিত এটা অনুষ্ঠানত জ্ঞান বিকাশ বঁটা প্ৰদান

কৰে। প্ৰতিগৰাকী শিক্ষাৰ্থীকে এটাকৈ মেহগণি গছৰ পুলি, প্ৰমাণপত্ৰ আৰু ১০ হাজাৰ টকাৰ একোখনকৈ চেক প্ৰদান কৰা হয়।

০০০০

ডিব্ৰুগড়ৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান জনসাংস্কৃতিক সমাজৰ উদ্যোগত ৩দিনীয়াকৈ আয়োজন কৰা আধুনিক গীতৰ কৰ্মশালাৰ আজি অন্ত পৰে। অনাতাঁৰ আৰু দূৰদৰ্শনৰ শিল্পী ৰুমী গোস্বামীয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰা কৰ্মশালাখনত জিলাখনৰ শতাধিক ন-শিকাৰুৱে অংশগ্ৰহণ কৰে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত আকাশবাণীৰ তিনিগৰাকী শিল্পী ছৈয়দা জুৰি ৰহমান, কল্পনা ভাগৱতী ভট্টাচাৰ্য আৰু ৰুণজুন ফুকনক সম্বৰ্ধনা জনোৱা হয়। আকাশবাণীৰ অৱসৰপ্ৰাপ্ত কণ্ঠশিল্পী, সুৰকাৰ, সংগীত প্ৰযোজক ৰাজেন গোহাঁই সামৰণি অনুষ্ঠানত উপস্থিত থাকে।

০০০০

গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত ৰাজ্যৰ ১৯ বছৰ অনুৰ্ধ এটি ১৭ জনীয়া ফুটবল দল এইমাহৰ শেষ ভাগলৈ স্পেইনলৈ যাব। এই দলটোৱে স্পেইনত মাৰভেলো ফুটবল ক্লাৱত ১৪ দিনৰ প্ৰশিক্ষণ গ্ৰহণ কৰিব। এই দলটোত ৭০ সংখ্যক বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাত ভাল প্ৰদৰ্শন কৰা কেইবাগৰাকী খেলুৱৈক অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০

সমাপ্ত